# 2019

## EDUCATION

( Major )

Paper : 3.2

**( Measurement and Evaluation in Education )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াসমূহৰ নিৰ্দেশ অনুযায়ী উত্তৰ দিয়া :

*(a)* The quantitative description of pupil's performance is _____.

( Fill in the blank )

শিক্ষাৰ্থীৰ পাৰদৰ্শিতাৰ সংখ্যামূলক বৰ্ণনাই হৈছে _____ ।

( খালী ঠাই পূৰণ কৰা )

(b) Reliability which is estimated by administering a test twice is known as _____ reliability.

( Fill in the blank )

একেটা অভীক্ষা দুবাৰ প্ৰয়োগ কৰি নিৰ্ণয় কৰা নিৰ্ভৰযোগ্যতাক _____ নিৰ্ভৰযোগ্যতা বুলি জনা যায়।

( খালী ঠাই পূৰণ কৰা )

(c) _____ error occurs due to wrong selection of measuring tools.

( Fill in the blank )

_____ ত্ৰুটি পৰিমাপন সজুঁলিৰ ভুল নিৰ্বাচনৰ বাবে হয়।

( খালী ঠাই পূৰণ কৰা )

(d) _____ evaluation provides feedback to teachers and students during instruction.

( Fill in the blank )

_____ মূল্যায়নে নিৰ্দেশনাদান অৱস্থাত শিক্ষক আৰু শিক্ষাৰ্থীক প্ৰতিপুষ্টি প্ৰদান কৰে।

( খালী ঠাই পূৰণ কৰা )

(e) Content validity is basically involved with _____ tests.

( Fill in the blank )

বিষয়বস্তু বৈধতা প্ৰধানত _____ অভীক্ষাৰ সৈতে জড়িত।

( খালী ঠাই পূৰণ কৰা )

(f) The first American revision of Binet-Simon test was published in the year _____.

( Fill in the blank )

বিনে-চাইমন অভীক্ষাৰ প্ৰথম আমেৰিকান সংস্কৰণ _____ চনত প্ৰকাশিত হৈছিল।

( খালী ঠাই পূৰণ কৰা )

(g) "Measurement is the assignment of numbers of objects or events according to rules." Who said this?

"পৰিমাপন হৈছে কোনো বস্তু বা ঘটনাক নিয়ম অনুসৰি মানাংক প্ৰদান কৰা।" কথাষাৰ কোনে কৈছিল?

(h) Write one difference between formative and summative evaluation.

গঠনমূলক আৰু সামগ্ৰিক মূল্যায়নৰ এটা পাৰ্থক্য লিখা।

(i) Psychological test is a standardized measure of a sample of behaviour.

( Write True or False )

মনোবৈজ্ঞানিক অভীক্ষা হৈছে কোনো নমুনামূলক আচৰণৰ মানবিশিষ্ট পৰিমাপ ব্যৱস্থা।

( শুদ্ধ নে অশুদ্ধ লিখা )

(j) A valid test is always reliable.

( Write True or False )

এটা বৈধ অভীক্ষা সদায় নিৰ্ভৰযোগ্য।

( শুদ্ধ নে অশুদ্ধ লিখা )

**2.** Give very short answers for the following questions : $2\times5=10$

তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ দিয়া :

(a) What is the predictive function of educational measurement?

শৈক্ষিক পৰিমাপৰ ভৱিষ্যৎ সম্ভাৱনীয়তা নিৰ্ণয় কাৰ্য কি ?

(b) What is item analysis?

প্ৰশ্নপদ বিশ্লেষণ কি ?

(c) Write the names of two sub-tests of Bhatia Performance Test.

ভাটীয়া সম্পাদনী অভীক্ষাৰ দুটা অভীক্ষাংশৰ নাম লিখা।

(d) Write two limitations of projective tests.

প্ৰক্ষেপক অভীক্ষাৰ দুটা সীমাবদ্ধতা লিখা।

(e) What is norm referenced evaluation?

আদৰ্শমান প্ৰাসংগিক মূল্যায়ন কি ?

3. Answer any *four* from the following questions : 5×4=20

তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) Distinguish between examination and evaluation.

পৰীক্ষা আৰু মূল্যায়নৰ মাজৰ পাৰ্থক্য দেখুওৱা।

(b) Discuss the characteristics of a standardized test.

প্ৰতিমানীকৃত অভীক্ষাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(c) Discuss about Army Alpha test.

আৰ্মি আলফা অভীক্ষাৰ বিষয়ে আলোচনা কৰা।

(d) Why is measurement of interest important in education?

শিক্ষাত আগ্ৰহৰ পৰিমাপ কিয় গুৰুত্বপূৰ্ণ?

(e) Discuss how personality can be assessed with the help of a rating scale.

মান নিৰূপক কাঠিৰ সহায়ত ব্যক্তিত্বৰ মান নিৰূপণ কেনেদৰে কৰা হয়, আলোচনা কৰা।

(f) Write a note on Likert attitude scale.

লিকাৰ্ট মনোভাৱ কাঠিৰ বিষয়ে এটি টোকা লিখা।

4. What is educational measurement? Discuss its nature and functions. 2+(4+4)=10

শৈক্ষিক পৰিমাপ কি ? ইয়াৰ প্ৰকৃতি আৰু কাৰ্যাৱলী আলোচনা কৰা ।

*Or / অথবা*

What indices are used in item analysis? How are they determined in item analysis procedures? Explain with examples. 2+8=10

প্ৰশ্নপদ বিশ্লেষণত ব্যৱহাৰ হোৱা বিভিন্ন সূচকসমূহ কি কি ? প্ৰশ্নপদ বিশ্লেষণ পদ্ধতিত এই সূচকসমূহ কেনেকৈ নিৰ্ধাৰণ কৰা হয় ? উদাহৰণসহ ব্যাখ্যা কৰা ।

5. What are group tests of intelligence? What are the advantages and disadvantages of group tests of intelligence? 2+(4+4)=10

বুদ্ধিৰ দলগত অভীক্ষাসমূহ কি ? বুদ্ধিৰ দলগত অভীক্ষাসমূহৰ সুবিধা আৰু অসুবিধাসমূহ কি কি ?

*Or / অথবা*

What is reliability? Discuss the characteristics of reliability of educational and psychological tests. 2+8=10

নিৰ্ভৰযোগ্যতা কি ? শিক্ষামূলক আৰু মনোবৈজ্ঞানিক অভীক্ষাৰ নিৰ্ভৰযোগ্যতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা ।

**6.** What do you mean by personality testing? Describe any two techniques of personality testing. 2+4+4=10

ব্যক্তিত্বৰ পৰিমাপ বুলিলে কি বুজা? ব্যক্তিত্ব পৰিমাপৰ যি কোনো দুটা কৌশল বৰ্ণনা কৰা।

*Or / অথবা*

What is cumulative record card? Explain the objectives of cumulative record card. 4+6=10

কিউমুলেটিভ ৰেকৰ্ড কাৰ্ড কি? কিউমুলেটিভ ৰেকৰ্ড কাৰ্ডৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰা।

**7.** What is meant by teacher-made test? Discuss different types of teacher-made tests used for measuring educational achievement. 2+8=10

শিক্ষক-নিৰ্মিত অভীক্ষা বুলিলে কি বুজা? শৈক্ষিক পাবদৰ্শিতা পৰিমাপৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন প্ৰকাৰৰ শিক্ষক-নিৰ্মিত অভীক্ষাৰ বিষয়ে আলোচনা কৰা।

*Or / অথবা*

What is attitude? How is it measured? Describe the uses of attitude scale in educational evaluation. 2+2+6=10

মনোভাৱ কি? মনোভাৱ কেনেকৈ পৰিমাপ কৰা হয়? শিক্ষামূলক মূল্যায়নত মনোভাৱৰ অভীক্ষাৰ উপযোগিতাসমূহ বৰ্ণনা কৰা।

★★★